# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 20-06-2026
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
## HEADLINES

১। ইউৰোপীয় সংঘৰ ২৭ খন সদস্য ৰাষ্ট্ৰৰ নাগৰিকৰ বাবে অসম ভ্ৰমণৰ ক্ষেত্ৰত আৰোপ কৰা প্ৰতিবন্ধকতা প্ৰত্যাহাৰ।

২। জাপানৰ প্ৰধানমন্ত্ৰীৰ অসম আগমণৰ প্ৰতি লক্ষ্য ৰাখি ৭০ গৰাকী জ্যেষ্ঠ বিষয়াক দায়িত্ব অৰ্পন।

৩। কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ ৫৮ সংখ্যক স্মৃতি দিৱস বৰ্ণাঢ্য কাৰ্যসূচীৰে পালন।

৪। কাইলৈ হ'বলগীয়া নীটৰ পুনৰ পৰীক্ষাৰ বাবে দেশজুৰি আখৰা। পৰীক্ষাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ।

*আৰু*

৫। ভাৰত আৰু আফগানিস্তানৰ মাজৰ এদিনীয়া ক্ৰিকেট শৃংখলাৰ অন্তিমখন খেলত ভাৰতক জয়ৰ বাবে ২১৯ ৰানৰ লক্ষ্য।

ooooo

ইউৰোপীয় সংঘৰ ২৭ খন সদস্য ৰাষ্ট্ৰই ইয়াৰ নাগৰিকৰ বাবে অসম ভ্ৰমণৰ ক্ষেত্ৰত আৰোপ কৰা প্ৰতিবন্ধকতা প্ৰত্যাহাৰ কৰা বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা প্ৰকাশ কৰিছে। কিছু সময় পূৰ্বে সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰীগৰাকীয়ে এই কথা সদৰি কৰি কয়, যে ৰাজ্য চৰকাৰে এই সন্দৰ্ভত ইতিমধ্যে আনুষ্ঠানিক পত্ৰ লাভ কৰিছে। ব্ৰিটিছ ৰাষ্ট্ৰদূত হাৰ্ভে ডেফলিনে ৰাজ্যৰ মুখ্যসচিব ড° ৰবি কোটাক পত্ৰযোগে কালিৰে পৰা এই প্ৰতিবন্ধকতা প্ৰত্যাহাৰ কৰা বুলি জনাইছে। এই সন্দৰ্ভত ড° শৰ্মাই এইদৰে কয়-

*(বাইট ঃ ড° শৰ্মা)*

ooooo

জাপানৰ প্ৰধানমন্ত্ৰী অসম আগমনৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰে তৎপৰতা অৱলম্বন কৰিছে। জাপানৰ প্ৰধানমন্ত্ৰীগৰাকীৰ অসম আগমণৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্য চৰকাৰৰ কৰ্মচাৰী বিভাগে ৭০ গৰাকী জ্যেষ্ঠ বিষয়াক দায়িত্ব অৰ্পন কৰিছে। প্ৰধানমন্ত্ৰীগৰাকীৰ ভ্ৰমণ, পৰিবহণ, সকলো ব্যৱস্থাপনা নিয়াৰিকৈ পৰিচালনা কৰিবলৈ এই বিষয়াসকলক নিৰ্দেশ দিয়া হৈছে। ইয়াৰ উপৰিও ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও মন্ত্ৰীক প্ৰধানমন্ত্ৰীগৰাকীৰ ভ্ৰমণ কালছোৱাত সংগ দিবলৈ নিৰ্দেশ দিয়া হৈছে। সমান্তৰালকৈ জাপানৰ প্ৰধানমন্ত্ৰীগৰাকীৰ আগমণৰ বাবেই গুৱাহাটী মহানগৰক নতুনকৈ সজাই-পৰাই তোলা হৈছে। ৰাজ্য চৰকাৰৰ নিৰ্দেশত গুৱাহাটী পৌৰ নিগম আৰু লোক নিৰ্মাণ বিভাগে যুদ্ধকালীন তৎপৰতাৰে মহানগৰক চাফ-চিকুণ কৰাৰ লগতে ৰাজহুৱা স্থানত নতুন ৰূপ দিয়া চেষ্টা চলাইছে। মহানগৰৰ বিভিন্ন স্থানত গছপুলি, ফুল ৰোপনৰ উপৰিও ষ্ট্ৰীট লাইট, ডিভাইডাৰসমূহ ৰং কৰি জাপানৰ প্ৰধানমন্ত্ৰীগৰাকীক আদৰাৰ বাবে প্ৰস্তুতি চলাইছে।

ooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ পাথৰকুৰেৰীৰ মেগজিনস্থিত সাধনী ভৱনত সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ মুখ্য কাৰ্যালয় আৰু এটা ছাত্ৰাবাস মুকলি কৰে। ৰাজ্য চৰকাৰৰ আন টাইড পুঁজি আৰু চুতীয়া উন্নয়ন পৰিষদৰ পুঁজিৰ প্ৰায় পাঁচ কোটি টকা ব্যয়ৰে এই কাৰ্যালয় আৰু ছাত্ৰাবাসটো নিৰ্মাণ কৰা হৈছে। ছাত্ৰাবাসটো মুকলি

কৰি ডং শৰ্মাই কয়, যে দীৰ্ঘ দিনৰে পৰাই গুৱাহাটীৰ মাজ মজিয়াত চুতীয়া ছাত্ৰসন্থাৰ বাবে এটা আধুনিক উন্নতমানৰ কাৰ্যালয়ৰ প্ৰয়োজন আছিল আৰু আজি এই প্ৰয়োজন বাস্তৱত ৰূপায়িত হ'ল। তেওঁ কয়, যে গুৱাহাটীলৈ অধ্যয়নৰ বাবে অহা ছাত্ৰ-ছাত্ৰীসকলৰ লগতে বিভিন্ন কামত গুৱাহাটীলৈ অহা জনগোষ্ঠীটোৰ লোকসকল এই নতুন ভৱনৰ জৰিয়তে উপকৃত হ'ব। অনুষ্ঠানত চুতীয়া জাতিৰ স্বাভিমান বিৰাংগনা সতী সাধনীৰ কথা উল্লেখ কৰি ডং শৰ্মাই কয়, যে অসমৰ ইতিহাসত মহিয়সীগৰাকী, নাৰী শক্তিৰ শৌৰ্য্য-বীৰ্য্যৰ এটা চিৰন্তন প্ৰতীক। চুতীয়াসকলৰ ৰাজনৈতিক আৰু সাংস্কৃতিক ইতিহাস অতি প্ৰাচীন বুলি উল্লেখ কৰি ডঃ শৰ্মাই কয়, যে বিগত ১০ বছৰত ৰাজ্য চৰকাৰে চুতীয়া জনগোষ্ঠীৰ বিভিন্ন দল-সংগঠনৰ সৈতে আলোচনাৰ জৰিয়তে জনগোষ্ঠীটোক আগবঢ়াই নিয়াৰ বাবে প্ৰচেষ্টা চলাই আছে। আজিৰ অনুষ্ঠানত মন্ত্ৰী অজন্তা নেওগ, অতুল বৰা, বিমল বৰা, অশ্বিনী ৰায় সৰকাৰে ধৰি চুতীয়া ছাত্ৰ সন্থা, চুতীয়া উন্নয়ন পৰিষদ আৰু চুতীয়া জাতি সন্মিলনীৰ ভালেমান নেতা-কৰ্মী উপস্থিত থাকে।

ooooo

কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ মন্ত্ৰী হৰদ্বীপ সিং পুৰী তিনিদিনীয়া ভ্ৰমণসূচীৰে কাইলৈ অসমলৈ আহিব। কাইলৈ বিয়লি ডিব্ৰুগড় বিমান বন্দৰত অৱতৰন কৰি মন্ত্ৰীগৰাকীয়ে পোনে পোনে দুলীয়াজানত উপস্থিত হ'ব। মন্ত্ৰীগৰাকীয়ে অইল ইণ্ডিয়া লিমিটেডৰ শীৰ্ষ বিষয়াৰ লগত এখন সভাত অংশগ্ৰহণ কৰাৰ লগতে বিভিন্ন ক্ষেত্ৰ পৰিদৰ্শন কৰিব। পৰহিলৈ মন্ত্ৰীগৰাকীয়ে অইলৰ তৈল খাদ আৰু চাহ বাগিচা পৰিদৰ্শন কৰাৰ লগতে অইল ইণ্ডিয়া বিষয়া আৰু ডিব্ৰুগড় জিলা আয়ুক্তৰ সৈতে পৃথকে পৃথকে আলোচনাত মিলিত হ'ব। ২৩ জুনত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ডিগবৈ  ভ্ৰমণ কৰিব। এই সময়ছোৱাত তেওঁ ইণ্ডিয়ান অইল কৰ্পোৰেচন লিমিটেডৰ ডিগবৈ ৰিফাইনেৰী পৰিদৰ্শন কৰাৰ লগতে উদ্যোগ প্ৰতিষ্ঠানটোত বিষয়া আৰু তিনিচুকীয়া জিলা আয়ুক্তৰ সৈতেও আলোচনাত মিলিত হ'ব।

ooooo

ডিব্ৰুগড়ৰ সমীপৰ লেকাইত ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকনে আজি সমন্বিত আৱৰ্জনা ব্যৱস্থাপনা কেন্দ্ৰ উদ্বোধন কৰে। ডিব্ৰুগড়ৰ লেকাইত ইয়াৰ পূৰ্বে স্থাপন কৰা আৰু কাৰ্যক্ষম হৈ থকা আৱৰ্জনা নিষ্কাষণ প্ৰকল্পটোৰ বিশাল চৌহদতে এই সমন্বিত আৱৰ্জনা ব্যৱস্থাপনা কেন্দ্ৰটো স্থাপন কৰা হৈছে। উদ্বোধনী অনুষ্ঠানত অসম প্ৰদূষণ বোৰ্ডৰ অধ্যক্ষ, ডিব্ৰুগড় জিলা আয়ুক্ত, ৰাজ্যিক প্ৰদূষণ নিয়ন্ত্ৰণৰ সচিবকে ধৰি সংশ্লিষ্ট বিভাগৰ কেইবাগৰাকীও বিষয়া উপস্থিত থাকে। উল্লেখযোগ্য যে, উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰতে এইটো প্ৰথম সমন্বিত আৱৰ্জনা ব্যৱস্থাপনা কেন্দ্ৰ হিচাপে চিহ্নিত হৈছে। এই প্ৰকল্পটোত ৰাসায়নিক আৱৰ্জনা, বায়' মেডিকেল আৱৰ্জনাকে ধৰি সকলো ধৰণৰ আৱৰ্জনা পৰ্যায় ক্ৰমে নিষ্কাষণ কৰাৰ ব্যৱস্থা উপলব্ধ হ'ব।

ooooo

কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ ৫৮ সংখ্যক স্মৃতি দিৱস আজি ৰাজ্যজুৰি বিস্তৃত কাৰ্যসূচীৰে পালন কৰা হৈছে। স্বাধীনতা সংগ্ৰামৰ পৰা আৰম্ভ কৰি শিল্প, সাহিত্য, সংস্কৃতি আৰু বৌদ্ধিক ক্ষেত্ৰলৈ অনবদ্য অৱদান আগবঢ়াই যোৱা বিষ্ণু ৰাভাৰ সংগ্ৰামী জীৱনাদৰ্শ আৰু সৃষ্টিৰাজিয়ে প্ৰতিগৰাকী অসমীয়াক চিৰদিন অনুপ্ৰাণিত কৰি আহিছে।

ৰাজ্যৰ বিভিন্ন ঠাইত বিষ্ণু ৰাভা দিৱস উপলক্ষে আজি বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আজি গুৱাহাটীৰ পাঞ্জাবাৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰীদামোদৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত বিষ্ণুৰাভা দিৱস উদযাপন কৰা হয়। এই অনুষ্ঠানতে ২০২৬ বৰ্ষৰ বিষ্ণুৰাভা বঁটা আৰু সতী সাধনী বঁটাৰ লগতে ৰাষ্ট্ৰীয় পৰ্যায়ৰ, ২০২৫ বৰ্ষৰ আজানপীৰ বঁটা প্ৰদান কৰা হয়। উল্লেখযোগ্য যে, জিকিৰ আৰু জাৰীৰ প্ৰসিদ্ধ শিল্পী গোলাঘাটৰ ছামচুদ্দিন আহমেদলৈ ২০২৫ বৰ্ষৰ আজানপীৰ ৰাষ্ট্ৰীয় বঁটা আগবঢ়োৱা হয়। সত্ৰীয়া শিল্পী মাণিক বৰবায়ন আৰু চিত্ৰশিল্পী মধুসূদন দাসলৈ ৰাজ্যিক পৰ্যায়ৰ ২০২৬ বৰ্ষৰ বিষ্ণুৰাভা বঁটা প্ৰদান কৰে। লেখিকা গীতা উপাধ্যায়লৈ ২০২৬ বৰ্ষৰ সতী সাধনী বঁটা আগবঢ়োৱা হয়। অসমৰ সমাজ, সাহিত্য, সংস্কৃতি আৰু কলাক্ষেত্ৰলৈ

আগবঢ়োৱা অৱদানৰ বাবে তেওঁলোকক এই সন্মানীয় বঁটা প্ৰদান কৰা হয়। ৰাষ্ট্ৰীয় বঁটাপ্ৰাপকগৰাকীক ৩ লাখ টকা আৰু ৰাজ্যিক বঁটাপ্ৰাপক তিনিগৰাকীক ২ লাখ টকাকৈ ধনৰাশিও প্ৰদান কৰা হয়।

এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে উপস্থিত থাকি এইদৰে কয় ঃ

*-বাইট- মুখ্যমন্ত্ৰী*

অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰা, সাংসদ বিজুলী কলিতা মেধি, দিছপুৰৰ বিধায়ক প্ৰদ্যুৎ বৰদলৈৰ লগতে নিৰ্দিষ্ট বক্তা হিচাপে লেখক, গৱেষক ড° অনিল শইকীয়া উপস্থিত থাকে।

সোণাপুৰৰ জুবিন ক্ষেত্ৰত সদৌ অসম জুবিন গাৰ্গ ফেন ক্লাৱৰ উদ্যোগত, কলাগুৰু আৰ্টিছ ফাউণ্ডেছন আৰু সোণাপুৰ মহাবিদ্যালয়ৰ সহযোগত বিষ্ণু ৰাভা দিৱস পালন কৰা হয়। এই অনুষ্ঠানত জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গ সোণাপুৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে জুবিন ফেন ক্লাৱৰ বহু সদস্য উপস্থিত থাকে। অনুষ্ঠানত উপস্থিত থাকি সংবাদ মাধ্যমৰ আগত গৰিমা শইকীয়া গাৰ্গে এইদৰে কয়।

*-বাইট- গৰিমা শইকীয়া গাৰ্গ*

সদৌ অসম ছাত্ৰ সন্থাই কালিৰেপৰা দুদিনীয়া কাৰ্যসূচীৰে বৰপেটাৰ হাউলিৰ ৰাস মন্দিৰ প্ৰাংগণত ৰাভা দিৱস উদযাপন কৰিছে। অনুষ্ঠানত সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা, সাধাৰণ সম্পাদক সমীৰণ ফুকন আৰু সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই অংশগ্ৰহণ কৰে।

ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয় বাজপেয়ী ভৱনতো ৰাভা দিৱস পালন কৰা হয়। এই অনুষ্ঠানত ৰাজ্যিক বিজেপিৰ বিষয়ববীয়াকে ধৰি কেইবাগৰাকীও মন্ত্ৰী-বিধায়ক উপস্থিত থাকে। অনুষ্ঠানত উপস্থিত থাকি কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাক স্মৰণ কৰি সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই এনেদৰে কয় ঃ

*-বাইট- বিমল বৰা*

ভাৰতীয় গণনাট্য সংঘ, গুৱাহাটী মহানগৰ সমিতিৰ উদ্যোগত চানমাৰিৰ গুৱাহাটী আৰ্টিষ্ট গীল্ডৰ সভাকক্ষত এই দিৱসৰ আয়োজন কৰা হৈছে।

ডিব্ৰুগড় জিলাত দিনজোৰা কাৰ্যসূচীৰে সাংস্কৃতিক পৰিক্ৰমা বিভাগ আৰু ডিব্ৰুগড় জিলা প্ৰশাসনৰ সহযোগত জিলা আয়ুক্তৰ কাৰ্যালয়ত কেন্দ্ৰীয়ভাৱে ৰাভা দিৱস উদযাপন কৰা হয়।

সমগ্ৰ শিক্ষা ডিব্ৰুগড় জিলাৰ উদ্যোগত আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ উমৈহতীয়া মঞ্চ মন্থনৰ সহযোগত আজি ডিব্ৰুগড় ৰে'লৱে হাইস্কুলত বিষ্ণু ৰাভা দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

অসম সাহিত্য সভা আৰু শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যৌথ উদ্যোগত জিলা সাহিত্য সভা আৰু শংকৰদেৱ সংঘৰ ধেমাজি জিলা শাখাৰ সহযোগত গোগামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি কেন্দ্ৰীয়ভাৱে বিষ্ণুৰাভা দিৱস উদযাপন কৰা হৈছে।

**কাৰ্বি আংলং** জিলাতো ডিফু সাহিত্য সভাৰ উদ্যোগত ডিফুৰ ৰাংছিনা ভৱনত ৰাভা দিৱস উদযাপন কৰা হৈছে। **ওদালগুৰি** জিলা সাহিত্য সভাই শ্ৰীশ্ৰীগোবিন্দ মিশ্ৰ সাহিত্য সভাৰ সহযোগত ভোলাবাৰী চৰকাৰী নিম্ন বুনিয়াদী বিদ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে ৰাভা দিৱস পালন কৰিছে। **কাছাৰ** জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলা প্ৰশাসনৰ উদ্যোগত ৰাভা দিৱস পালন কৰা হয়। **মাজুলী** জিলা প্ৰশাসনৰ উদ্যোগত জিলা আয়ুক্তৰ কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত ৰাভা দিৱস উপলক্ষে এক গাম্ভীৰ্য অনুষ্ঠানত আয়োজন কৰা হয়। **তামুলপুৰ** জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলা প্ৰশাসনৰ উদ্যোগত ৰাভা দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচীৰ লগতে ৰাভা সংগীত পৰিৱেশন কৰা হয়।

০০০০০

ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাৰ দ্বাৰা পৰিচালিত চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ প্ৰৱেশ পৰীক্ষা – নীট কাইলৈ হ'বলগীয়া পুনৰ পৰীক্ষাৰ বাবে দেশজুৰি আজি মকড্ৰিল বা আখৰা অনুষ্ঠিত হৈছে। এই মকড্ৰিলত দুই লাখ ৫ হাজাৰ নিৰাপত্তাৰক্ষীক নিয়োজিত কৰা হৈছে। মুঠ তিনি তৰপীয়া নিৰাপত্তা বেষ্টনীৰ গঢ়া এই পৰীক্ষাৰ সকলো কেন্দ্ৰ ইতিমধ্যে নেচনেল টেষ্টিং এজেন্সিক অৰ্পণ কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ তথ্য অনুসৰি প্ৰশ্নকাকত আৰু প্ৰশ্নোত্তৰ বহী সুৰক্ষা কৰি ৰখা প্ৰক্ৰিয়াটোত অৰ্ধসামৰিক বাহিনীক নিয়োজিত কৰা হ'ব। সমগ্ৰ দেশৰ ৫ হাজাৰৰো অধিক কেন্দ্ৰত কাইলৈ হ'বলগীয়া এই পৰীক্ষাৰ প্ৰক্ৰিয়া নিখুঁত আৰু ক্ৰটিমুক্ত কৰাৰ উদ্দেশ্যেৰে চিচিটিভি নিৰীক্ষণৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ উপৰি সামাজিক মাধ্যমৰ গতিবিধি লক্ষ্য কৰাৰ উদ্দেশ্যে এখন উচ্চ পৰ্যায়ৰ তদাৰক সমিতি গঠন কৰা হৈছে। পৰীক্ষাক কেন্দ্ৰ কৰি তদন্তকাৰী আৰু নিৰাপত্তা সংস্থাৱে হাইএলাৰ্ট জাৰি কৰা হৈছে। জিলা প্ৰশাসনৰ উপৰি ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰাও এই পৰীক্ষা ব্যৱস্থাত সামগ্ৰিকভাৱে দৃষ্টি ৰখা হ'ব।

কাইলৈ হ'বলগীয়া এই পৰীক্ষা শান্তিপূৰ্ণ আৰু নিকাভাৱে পৰিচালনা কৰাৰ লক্ষ্যৰে ৰাজ্যৰ জিলা প্ৰশাসনসমূহো ইতিমধ্যে সাজু হৈ উঠিছে। ডিব্ৰুগড় জিলা প্ৰশাসনৰ এটা দলে জিলাখনৰ পৰীক্ষা অনুষ্ঠিত হ'বলগীয়া ৫টা কেন্দ্ৰ কালি পৰিদৰ্শন কৰে। দলটোৱে পৰীক্ষা কেন্দ্ৰসমূহৰ সুযোগ-সুবিধাৰ বুজ লয়।

ৰাজ্যৰ আন আন জিলাৰ লগতে শোণিতপুৰ, নগাঁও আৰু লখিমপুৰ জিলা প্ৰশাসনে এই পৰীক্ষাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে পৰীক্ষা সুচাৰুৰূপে পৰিচালনা কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০

জলসিঞ্চন মন্ত্ৰী পীযুষ হাজৰিকাই আজি বকো-ছয়গাঁৱত দুটা জলসিঞ্চন প্ৰকল্প পৰিদৰ্শন কৰে। পাইলট প্ৰকল্পৰ অধীনৰ এই প্ৰকল্প দুটা পৰিদৰ্শন কৰি অভিযন্তা আৰু অন্যান্য কাৰিকৰী বিশেষজ্ঞসকলৰ সৈতে মত বিনিময় কৰে। এই প্ৰকল্প দুটাৰ কাৰিকৰী দিশ ৰূপায়ণ প্ৰক্ৰিয়া আৰু সম্ভাৱনা সন্দৰ্ভত সবিশেষ আলোচনা কৰাৰ লগতে স্থানীয় কৃষক আৰু জনসাধাৰণৰ সৈতেও মত বিনিময় কৰে। প্ৰকল্প দুটাৰ জৰিয়তে দুৰ্গম আৰু বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহত কম ব্যয়ত জলসিঞ্চনৰ সুবিধা প্ৰদানৰ লগতে সৌৰ শক্তি চালিত ভাসমান পাম্প ষ্টেচনৰ জৰিয়তে পানী যোগানৰ ব্যৱস্থা কা হৈছে। ইয়াৰ ফলত জল ব্যৱহাৰৰ দক্ষতা বৃদ্ধি, আধুনিক জলসিঞ্চন ব্যৱস্থাপনাৰে কৃষকসকলক অধিক জলসিঞ্চনৰ সুবিধা প্ৰদান কৰি কৃষিজাত সামগ্ৰী উৎপাদন বৃদ্ধিত সহায়ক হ'ব বুলি আশা কৰা হৈছে। পৰিদৰ্শন কালত মন্ত্ৰীগৰাকীয়ে এই প্ৰকল্প দুটা গুণগত মান বৰ্তাই ৰখাৰ লগতে সময়মতে ৰূপায়ণ কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। তেওঁ ৰাজ্য চৰকাৰে কৃষক কল্যাণ, কৃষি উৎপাদন বৃদ্ধি আৰু আধুনিক জলসিঞ্চন আন্তগাঁথনি গঢ়ি তোলাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ বুলি উল্লেখ কৰে।

০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত মাইক্ৰ'চিপছ এণ্ড মেক্ৰ' ড্ৰিমছ দা ছেমি কণ্ডাক্টৰ প্ৰমিজ শীৰ্ষক এটি আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত ভাগ ল'ব শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা বিশিষ্ট অৰ্থনীতিবিদ ড° নীহাৰ ৰঞ্জন কলিতা আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ অনুবিদ্যুৎ আৰু যোগাযোগ অভিযান্ত্ৰিক বিভাগৰ সহকাৰী অধ্যাপক মানসপ্ৰতীম শৰ্মাই। অনুষ্ঠানটিৰ আঁত ধৰিব অৰূপ কুমাৰ শৰ্মাই।

০০০০০

চেন্নাইৰ এম. এ. চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত ভাৰত আৰু আফগানিস্তানৰ মাজৰ এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত আফগানিস্তানে ভাৰতক জয়ৰ বাবে ২১৯ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

আমাৰ এই বাতৰি যুগুতোৱাৰ পৰলৈকে ভাৰতে ১২ অভাৰত এটাও উইকেটত নেহেৰুৱাকৈ বিনিময়ত ৯৪ ৰান সংগ্ৰহ কৰিছে।

ভাৰতে ইতিমধ্যে শৃংখলাটোত ২-০ৰ অগ্ৰগতি লাভ কৰিছে।

০০০০০

**সমাপ্ত**